# ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী
## — এটি আলোচনা

Created by Universal Document Converter

# প্ৰথম অধ্যায়

## অৱতৰণিকা ১-২০

১.১ পৰিচয় ১

১.২ তত্ত্বগত পটভূমি আৰু ইতিপূৰ্বে হোৱা আলোচনাৰ পুনৰ্নিৰীক্ষণ ৫

১.৩ গৱেষণাৰ গুৰুত্ব আৰু পৰিসৰ ১২

১.৪ গৱেষণাৰ প্ৰমেয় ১৩

১.৫ গৱেষণা পদ্ধতি ১৪

১.৫.১ সাক্ষাৎকাৰ ১৪

১.৫.২ পৰ্যৱেক্ষণ ১৫

১.৫.৩ তথ্য বিশ্লেষণ আৰু ব্যাখ্যা ১৫

১.৬ গৱেষণাৰ সীমাবদ্ধতা ১৫

১.৭ অধ্যায় বিভাজন ১৭

Created by Universal Document Converter

# প্ৰথম অধ্যায়

## অৱতৰণিকা

### ১.১ পৰিচয় ঃ

মানৱ সমাজৰ অৱদানস্বৰূপ আৰু মানৱৰ দ্বাৰা সৃষ্ট সংস্কৃতিৰ অন্তৰ্গত ভাষা, সাহিত্য, নৃত্য-গীত আদি বহিঃ সংস্কৃতিৰ পূৰ্ণপ্ৰকাশ যদিও সমালোচকসকলে ইয়াৰ পৰিৱৰ্তনকামী চৰিত্ৰৰ কথা স্বীকাৰ কৰিছে। স্থবিৰ অথচ পৰিৱৰ্তনশীল এই বহিঃ সংস্কৃতিয়ে পৰম্পৰাৰ সৈতে নিবিড় সম্পৰ্ক ৰক্ষা কৰা দেখা যায়। সংস্কৃতিৰ সমূহ সমলৰ ভিতৰত নান্দনিকতাৰ প্ৰতি সমাজত থকা সহজাত আদৰে অতি সহজেই মানৱ সমাজক আকৃষ্ট কৰি তোলে। কিয়নো নান্দনিকতাই সমাজৰ সকলো শিল্পকেই সামৰি লয়।

> The term ‘aesthetic’ has both narrow and expanded uses. Thus it can be used to name the formal or compositional aspect of a work of art as against its content, to refer to a coherent philosophy of art , or to the artistic dimension of culture as a whole. (Brooker, 2003, p.2)

বিভিন্ন মাধ্যমৰ যোগেৰে নান্দনিকতাপূৰ্ণ মানৱ অভিজ্ঞতা এটা যুগৰ পৰা আনটো যুগলৈ প্ৰৱাহিত হয়। সাহিত্য হ'ল তেনে এটি সুষম আৰু জনপ্ৰিয় মাধ্যম। সাহিত্যৰ ভিতৰতো আকৌ কাব্যত থকা স্বতঃস্ফূৰ্ত স্মৃতিশক্তি সংৰক্ষক গুণৰ বাবে ই অধিক জনপ্ৰিয়। নিজস্ব অভিজ্ঞতাক পোনপটীয়া বা কল্পনা প্ৰৱণতাৰ সহায়ত নান্দনিক দৃষ্টিভংগীৰে প্ৰকাশ কৰিবলৈ মানুহে সাধাৰণতে কাব্যৰ সহায় লয়। প্ৰকৃততে কাব্যত যেতিয়া সুৰ সংযোজিত হয় তেতিয়াই তাক গীত বুলি কোৱা হয়। সুৰেই হ'ল গীত প্ৰকাশৰ ঘাই মাধ্যম । সুৰৰ প্ৰাধান্য থাকিলেও গীতত ছন্দ আৰু তালো থাকে। কথা , সুৰ, তাল, ছন্দ আৰু অন্ত্যমিলৰ সুষম প্ৰয়োগত একোটা গীত

Created by Universal Document Converter

ৰসোত্তীৰ্ণ হয়।

> এটা গীতৰ মূল চৰিত্ৰই হ'ল একোটা ভাব বা অনুভূতিৰ গীতিময় স্বচ্ছন্দ অভিব্যক্তি। গীতটিৰ মূল আধাৰ হ'ল ব্যক্তি-হৃদয় অথবা ব্যক্তিয়েই হ'ল সৃষ্টি প্ৰক্ৰিয়াটোৰ মধ্যমণি। (দত্ত,১৯৯৪, পৃ ঃ ১০৬)

হিন্দুধৰ্মীয় শাস্ত্ৰ মতে সংগীত হ'ল স্বৰ্গীয় সম্পদ। সৃষ্টিকৰ্তা ব্ৰহ্মা সংগীতৰো জন্মদাতা বুলি হিন্দুসকলে বিশ্বাস কৰে। তেওঁৰ পৰা ক্ৰমে মহাদেৱ আৰু পিছলৈ মহাদেৱৰ পৰা সৰস্বতীয়ে এই সংগীতৰ জ্ঞান আহৰণ কৰে। এই সংগীতৰ প্ৰচলন সম্পৰ্কে থকা এই জনপ্ৰিয় প্ৰবাদ উল্লেখ কৰিব পাৰি—

> আমাৰ তেত্ৰিশ কোটি দেৱতাৰ দেৱাদিদেৱ মহাদেৱে ব্ৰহ্মাৰ পৰা সংগীত শিক্ষা লাভ কৰে। আৰু তেওঁৰ কন্যা বীণাপাণি অৰ্থাৎ শ্ৰীশ্ৰীসৰস্বতীক সংগীতৰ শিক্ষা দিয়ে। নাৰদমুনিয়ে আকৌ সৰস্বতীৰ পৰা এই শিক্ষা লাভ কৰি শূৰ, নৰ, কিন্নৰ আদি মুনিসকলক সংগীত শিক্ষাৰে শিক্ষিত কৰি স্বৰ্গৰ পৰা পৃথিৱীলৈ এই সংগীতৰ প্ৰচাৰৰ বাবে প্ৰেৰণ কৰে। তেওঁলোকে মৰ্ত্যলৈ আহি মাৰ্গীয় সংগীত নামেৰে পৃথিৱীৰ মঠ -মন্দিৰত ভগৱানৰ উপাসনাত সংস্কৃত শ্লোকৰ আৰ্হিত গাবলৈ ধৰে। ( গোস্বামী, ১৯৯২, পৃ ঃ ১)

কাব্যৰ এটি প্ৰধান অংগস্বৰূপ গীতত কিন্তু সাহিত্যিক গুণো নিহিত হৈ থাকে। গীত মাত্ৰেই সাহিত্যিক গুণ সম্পন্ন নহয় যদিও বহুতো গীতৰ সাহিত্যিক মূল্য অৱশ্যেই স্বীকাৰ কৰিব লগীয়া। আৰু সেই বাবেই গীত-মাতসমূহে সাহিত্যত গীতি-সাহিত্য বুলি এটা সুকীয়া ঠাল সৃষ্টি কৰিব পাৰিছে। সভ্যতাৰ আদি স্তৰতেই হয়তো সকলো দেশ-জাতি-সম্প্ৰদায় নিৰ্বিশেষে সকলো লোকৰ মাজতেই গীতি-সাহিত্যৰ সৃষ্টি হৈছিল। এটা কথা সততে মন কৰা যায় যে ৰচনা প্ৰণালীৰ সৰলতা আৰু সুৰৰ ঘনিষ্ঠতা সফল গীতৰ লক্ষণ। সেয়েহে চিনাকি সুৰৰ প্ৰয়োগেৰে লোকসংগীতৰ পৰশ পৰা গীতবোৰ অধিক জনপ্ৰিয়। সেইদৰে সৰ্বসাধাৰণে বুজি পোৱা অথচ কাব্যিক অলঙ্কাৰ যুক্ত শব্দ চয়নে গীতসমূহক জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰাত সহায় কৰে।

Created by Universal Document Converter

গভীৰ ভাৱ-অনুভূতিক গীতৰ সহজ ৰচনা প্ৰণালীৰে প্ৰকাশ কৰাই গীতি-সাহিত্যৰ অন্যতম বৈশিষ্ট্য। এনে দৃষ্টিভংগীৰে আধুনিক কাব্য আৰু সাধাৰণ গীতি-সাহিত্যৰ মাজত যথেষ্ট পাৰ্থক্য আছে। কাব্যত সততে ব্যৱহৃত অলঙ্কাৰসমূহ গীতত প্ৰয়োগ নহয়। সৰল শব্দ আৰু সুৰৰ সংযোজনেৰে গীতি-সাহিত্যই অপূৰ্ব ৰূপত পাঠক আৰু শ্ৰোতাৰ মনোৰঞ্জন কৰে। মহেশ্বৰ নেওগেও কৈছে,

> আধুনিক কাব্যৰ লগতো (literary poetry) সহজ-সৰলতাৰ বৈশিষ্ট্যৰ বাবেই গীতি-সাহিত্যৰ অমিল। গীতি-সাহিত্য জানিবা হাবি-বননিৰ ফুল, আধুনিক কাব্য আকৌ নিতৌ কৃত্ৰিমতাৰ হাতৰ পৰশ পোৱা ফুলনিৰ ফুল। ( নেওগ, ২০০৮ , পৃ ঃ ২)

বহুতেই গীতি-সাহিত্যক ইংৰাজী Lyrics অভিধাৰে বুজাব বিচাৰে। অক্সফোৰ্ড অভিধানৰ মতে Lyrics বিলাক হৈছে কবিৰ নিজস্ব ভাৱ বা অনুভূতি ব্যক্ত কৰা কাব্য গুণ সম্পন্ন পদ বা চুটি কবিতা। এই কবিতাবোৰ সুৰ লগাই গোৱাটো বাধ্যতামূলক নহয় যদিও বৰ্তমান সময়ত সুৰ প্ৰয়োগৰ উপযোগী গীতিব্যঞ্জক কবিতাসমূহকো গীতি -কবিতা বুলি গীতি-সাহিত্যৰ বিভাগটোত সামৰি লোৱা দেখা গৈছে। সকলো দেশতেই থকাৰ দৰে অসমীয়া সাহিত্যতো গীতি-সাহিত্যৰ প্ৰচলন মৌখিক যুগৰ পৰাই প্ৰৱাহিত হৈ আহিছে। নাট্যশাস্ত্ৰত গীত-নৃত্য-নাট্য সমন্বিতে সংগীতৰ চাৰিবিধ বৃত্তি বা ধাৰাৰ বিষয়ে উল্লেখ কৰোঁতে পুৰণি কামৰূপৰ প্ৰসংগ উল্লেখ কৰা হৈছে। ‘ গীতে-বাদ্যে চ নিপুৰ্ণা সা কামৰূপা কামিনী’ বুলিও এক লোকপ্ৰসিদ্ধি আমাৰ মাজত প্ৰচলিত হৈ আছে। মানৱ সমাজৰ সভ্যতাৰ বিকাশৰ লগে লগে ভাষাই যেতিয়া লিখিত ৰূপ পৰিগ্ৰহণ কৰিলে তেতিয়াই গীতি-সাহিত্যও লিখিত ৰূপত সঞ্চিত হবলৈ ধৰে আৰু ফলস্বৰূপে গীত ৰচকসকলেও পাঠক আৰু শ্ৰোতাৰ স্বীকৃতি লাভ কৰিবলৈ ধৰে। এসময়ত গীতি-সাহিত্য বুলিলে কাহিনীমূলক গীতকহে বুজা গৈছিল। ইউৰোপৰ নৰৱে, চুইডেন আৰু স্পেইনত প্ৰচলিত কাহিনীমূলক গীত বা বেলাডসমূহেই বৌদ্ধিক মহলত গীতি-সাহিত্যৰ স্বীকৃতি লাভ কৰিছিল। অসমতো এনে কাহিনী গীতৰ প্ৰচলন আছিল আৰু এই গীতবোৰ বীণ-বৰাগী বা অঘৰী গায়কসকলে বাটে ঘাটে গাই ফুৰিছিল। (নেওগ, ২০০৮,পৃঃ ৪) আধুনিক গীতি-সাহিত্যত এই চিন্তাধাৰাৰৈ

Created by Universal Document Converter

ক্রমাৎ পৰিৱৰ্তন আহিল আৰু যি কোনো সুৰ সংবদ্ধ গীত বা পদ আদি গীতি-সাহিত্যৰ অন্তৰ্ভুক্ত হৈ পৰিল। অসমত লিখিত ৰূপত প্ৰাপ্ত গীতি-সাহিত্যয়ো চৰ্যাপদৰ যুগৰে পৰা বৰ্তমান সময়লৈকে ভালেকেইটি গীতৰ যুগ পাৰ কৰি যেতিয়া ভক্তিযুগৰ অৱসানৰ অন্তত অসমীয়া সাহিত্যৰ বিস্তাৰ আৰু অৱসাদৰ যুগটোক অতিক্ৰম কৰি আধুনিক যুগটোত প্ৰৱেশ কৰিলেহি তেতিয়া সমগ্ৰ বিশ্বত ৰোমাণ্টিচিজিমৰ বতাহ বলিছিল। তাৰেই বা লগা অসমীয়া গীতিকাৰসকলেও এই পৰিৱৰ্তনৰ লগত তাল মিলাই পৰিৱৰ্তনকামী হবলৈ প্ৰয়াস কৰা দেখা গ'ল। অৱশ্যে সেই সময়তে ভাৰতবৰ্ষলৈ অহা স্বাধীনতা সংগ্ৰাম আৰু দেশপ্ৰেমৰ জোৱাৰেও অসমৰ কিছুসংখ্যক গীতিকাৰক টৌৱাই থৈ গ'ল।

ইংৰাজী সাহিত্যত ৰোমাণ্টিচিজিমৰ উত্থান হৈছিল নিসৰ্গপ্ৰীতি আৰু মানৱ মুক্তিৰ ধাৰণাৰ পৰা। পাশ্চাত্য সাহিত্যত উন্মেষ ঘটা মানৱতাবাদী চিন্তাধাৰাই অসমৰ গীতিকাৰসকলকো বাৰুকৈয়েই প্ৰভাৱিত কৰিছিল। সাহিত্যলৈ স্বতঃস্ফূৰ্ত ভাৱে অহা পৰিৱৰ্তনৰ সমৰ্থনত কবি নীলমণি ফুকনে এনেদৰে কৈছিল—

> কেৱল সাহিত্যৰ পুৰণি কথাবিলাক লাৰি-ছাৰি তাক আৰু পুৰণি কৰিবৰ উদ্দেশ্য হ'ব নালাগে। তাৰ পৰা নতুন ৰস উলিয়াই সাহিত্যক আৰু অমৃতময় কৰি তুলি মুখত যাচি জাতিটোক অমৰ কৰি তুলিব পাৰিব লাগে। কোনো দেশৰ শিক্ষিত সমাজে আধুনিক সাহিত্য সৃষ্টি কৰোঁতে যদি সেই সাহিত্যই নিজৰ গঢ়-গতি এৰি আহিবলৈ ধৰিছে যেন অনুমান হয়, তেন্তে বুজিব লাগিব যে, সমাজৰ সাহিত্যৰ ধাৰ ক'ৰবাত একেবাৰে ছিগিছে বা ঘাই শিপা কটা পৰিছে। ( ডেকা হাজৰিকা (সম্পা) , ২০০৭, পৃঃ ১৪)

অসমৰ সাহিত্যলৈ অহা পৰিৱৰ্তনৰ ফলত নতুন চিন্তাধাৰাৰ এচাম গীতিকাৰৰ জন্ম হয়। যথেষ্ট বাস্তৱবাদী বুলি পৰিচিত এইচাম গীতিকাৰৰ গীতৰ প্ৰধান বিষয়বস্তু হ'ল সমাজ, মানুহ আৰু প্ৰকৃতি। এইচাম আধুনিক গীতিকাৰৰেই অন্যতম ভূপেন হাজৰিকাৰ গীতত সমাজ আৰু প্ৰকৃতিৰ চিত্ৰণতকৈ মানৱ চৰিত্ৰসমূহ অধিক জীৱন্ত ৰূপত প্ৰতিবিম্বিত হয়। তেওঁৰ বাস্তৱবাদী চিন্তা-চৰ্চা, অপূৰ্ব গীতিময়তা, ৰূপক ধৰ্মিতা, ভাষাৰ

Created by Universal Document Converter

লালিত্য, শব্দ প্ৰয়োগৰ সৌন্দৰ্য আৰু বৈচিত্ৰ্য আৰু লগতে শব্দৰ নিটোল গাঁথনিয়ে আধুনিক অসমীয়া গীতি-সাহিত্যলৈ নতুনত্বৰ জোৱাৰ আনিবলৈ সক্ষম হ'ল। মন কৰিলে দেখা যায় যে ভূপেন হাজৰিকাৰ সৃষ্টিৰ সৌন্দৰ্য প্ৰধানকৈ এই মানৱ প্ৰেমৰ ধাৰাটোৰ মাজতেই নিহিত আছে। এই ধাৰাটোৰ ভিতৰত মন কৰিলে দেখা যায় যে নাৰী চৰিত্ৰসমূহে ভিন ভিন ৰূপ পৰিগ্ৰহণ কৰি জিলিকি উঠিছে। ভূপেন হাজৰিকাৰ গীতৰ বিষয়, কাব্যগুণ, স্বভাৱ আৰু প্ৰকৃতিৰ বিষয়ে ইতিমধ্যে বিভিন্নজনে বিভিন্ন আলোচনা আগবঢ়াইছে যদিও সমাজ বাস্তৱতাৰ পটভূমিত আৰু মননশীল কল্পনাৰ তাগিদাত ভূপেন হাজৰিকাই লিখা নাৰীভিত্তিক গীতসমূহৰ বিশদ আলোচনা হোৱা চকুত নপৰে। কিন্তু ভূপেন হাজৰিকাৰ গীতসমূহ অধ্যয়ন কৰিলে পৰম্পৰাগত কাব্যত ব্যৱহৃত চিত্ৰকল্পৰ আধাৰত নাৰী চৰিত্ৰসমূহ একো একোটা বিশেষ ৰূপত উদ্ভাসিত হৈ উঠা দেখা যায়। সেইবাবেই এই গৱেষণা কৰ্মৰ বিষয় হিচাবে "ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী — এটি আলোচনা" শীৰ্ষক বিষয়টো নিৰ্বাচন কৰা হৈছে।

## ১.২ তত্ত্বগত পটভূমি আৰু এই বিষয়ে ইতিপূৰ্বে হোৱা আলোচনাৰ পুনৰ্নিৰীক্ষণ ঃ

*চন্দ্ৰকান্ত অভিধান (২০১২)* ত 'গীতি' শব্দৰ অৰ্থ এনেদৰে নিৰূপণ কৰিছে—'গীত', 'গান' আৰু 'সাহিত্যৰ' অৰ্থ হৈছে — 'কাব্য-শাস্ত্ৰ' ; 'ছন্দ-অলঙ্কাৰাদিযুক্ত ব্যাকৰণ'; 'শুদ্ধ গদ্য-পদ্যাদি ৰচনা'; 'হিত উপদেশ বা মনক সন্তোষ দিয়া কোনো ভাষাৰ গদ্য আৰু পদ্য পুথি বা ৰচনা'; 'literature '(গোস্বামী (সম্পা),২০১২, পৃঃ ২৮১, ৮৩২)। *হেম কোষ* অভিধান অনুসৰি 'গীতি' শব্দৰ অৰ্থ হ'ল —'ছন্দ বিশেষ','সংগীত' ,'গান' আৰু 'সাহিত্য' শব্দটোৰ অৰ্থ হ'ল—('সং, সহিত, একেলগে, ব্যাকৰণে সৈতে একেলগে পঢ়া যায়';'এতেকে'),' হিত উপদেশ বা মনক সন্তোষ দিয়া গদ্য বা পদ্য পুথি', 'কাব্যাদি',' poetry', 'literature' (বৰুৱা, ১৯৮৯, পৃঃ ২৯৪, ৯৬১)। এনেক্ষেত্ৰত দুয়োখন অভিধানৰ অৰ্থসমূহ মিলাই 'গীতি-সাহিত্য' অভিধাই গীত বা গানৰ লগত যুক্ত সাহিত্যক সূচায়। গতিকে 'ভূপেন হাজৰিকাৰ গীতি-সাহিত্য' বুলি কওঁতে ভূপেন হাজৰিকা ৰচিত সমূহ

Created by Universal Document Converter

গীতৰ লগতে তেখেতে ৰচনা কৰা গীতিধৰ্মী কবিতাসমূহকো আলোচনাৰ মাজত সামৰিবলৈ চেষ্টা কৰা হৈছে।

এই গৱেষণা কৰ্ম আগুৱাই নিবৰ বাবে গ্ৰহণ কৰা প্ৰধান আধাৰ হ'ল "ভূপেন হাজৰিকাৰ সৃষ্টিৰ গীতত নাৰীৰ স্থান আৰু ভূমিকা"। আৰু এই স্থান নিৰ্ণয়ৰ বাবে বাবে গ্ৰহণ কৰা প্ৰধান আহিলা হ'ল ভূপেন হাজৰিকাৰ নাৰীকেন্দ্ৰিক গীতবোৰ। এই গীতবোৰৰ কিছুমানত প্ৰত্যক্ষ ৰূপত আৰু কিছুমানত পৰোক্ষ ৰূপত নাৰীৰ অৱস্থিতি দৃষ্টিগোচৰ হয়। এই গৱেষণা কৰ্মত কিন্তু দুয়োবিধৰ নাৰীকেই সমানে গুৰুত্ব প্ৰদান কৰি ভূপেন হাজৰিকাৰ দৃষ্টিৰে এখন সুস্থ সমাজ গঠনত নাৰীৰ ভূমিকা আৰু অসমীয়া সমাজত নাৰীৰ স্থানৰ বিচাৰ কৰা হৈছে। নাৰীবাদ তত্ত্বৰ চিন্তাবিদ মেৰী ঊল্‌ষ্টোনক্ৰাফ্‌টৰ ধাৰণা অনুযায়ী নাৰী পুৰুষৰ বাবে মাথো যৌন সত্তা নহয়, তেওঁলোক কেৱল মানৱ সত্তাহে। (শৰ্মা, ২০১১, পৃঃ ৩) নাৰীবাদক ভিত্তি কৰি পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য নাই যদিও কাব্যিক জগতখনে এতিয়াও নাৰীক এক আৱেগিক স্থানত প্ৰতিষ্ঠা কৰি কেতিয়াবা পুৰুষ আৰু সমাজৰ মনোবলৰ প্ৰধান কাৰক আৰু কেতিয়াবা নৈতিকতাৰ স্খলিত ৰূপ হিচাপে মানি লৈ গীত আৰু কবিতাত ৰূপায়ণ কৰা দেখা যায়। সেয়েহে এই গৱেষণা কৰ্মত নাৰীবাদৰ আলোচনাৰ লগতে প্ৰাচীন ভাৰতীয় সাহিত্যত প্ৰতিফলিত নাৰীৰ মহিমাময়ী আৰু লাস্যময়ী ৰূপটোৰ লগতে নাৰীৰ ছলনাময়ী ৰূপটোকো সামৰি বৰ্তমানৰ বাস্তৱ সমাজত প্ৰক্ষিপ্ত নাৰীৰ বিভিন্ন ৰূপৰ পৰ্যালোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

ইতিমধ্যে অসমীয়া ভাষাত মহেশ্বৰ নেওগে *অসমীয়া গীতি-সাহিত্য* (২০০৮) নামৰ পুথি এখন ৰচনা কৰিছে আৰু এই পুথিখনত অসমীয়া সাহিত্যত প্ৰাপ্ত গীতি-সাহিত্যৰ মৌখিক অৱস্থাৰ পৰা আৰম্ভ কৰি লিখিত সাহিত্যৰ বিভিন্ন স্তৰৰ মাজেদি ভক্তি যুগ হৈ আধুনিক যুগত প্ৰৱেশ কৰাতে সীমাবদ্ধ ৰাখিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (২০০৯) নামৰ পুথিখনৰ পৰিশিষ্ট অধ্যায়ত গীতি-সাহিত্যৰ বিষয়ে কিছু আলোচনা ৰখা হৈছে যদিও আধুনিক যুগৰ বিস্তৃত আলোচনা তাত নাই। উক্তপুথিখনত ভূপেন হাজৰিকাৰ নামৰ উল্লেখ আৰু গীতৰ পুথি চাৰিখনৰ নাম হে উল্লেখ আছে। অৱশ্যে একেখন পুথিৰেই চতুৰ্দশ অধ্যায়ৰ কাব্য-সাহিত্যৰ শিতানটোত থকা গীতি-কবিতাৰ সংজ্ঞা আৰু কবিৰ উল্লেখে অসমীয়া গীতি-সাহিত্যৰ

Created by Universal Document Converter

ধাৰাটোৰ বিষয়ে অনুমান কৰি লোৱাত সহায়ক হয়। সেইদৰে হেমন্ত কুমাৰ শৰ্মা ৰচিত *অসমীয়া সাহিত্যত দৃষ্টিপাত* ( ২০০৭) শীৰ্ষক পুথিখনত অসমীয়া গীতি-সাহিত্য আৰু গীতিকাৰসকলৰ বিষয়ে থোৰতে কিছু আলোচনাহে দেখা যায়। এনেক্ষেত্ৰত লোকনাথ গোস্বামীয়ে ৰচনা কৰা *অসমীয়া আধুনিক গান-জন্মক্ৰন্দনৰ পৰা জাতীয় স্পন্দনলৈ* (২০১৪) আৰু *সংগীতৰ উৎপত্তি আৰু ক্ৰম বিকাশ* (১৯৯২) নামৰ গ্ৰন্থদুখন আৰু গীতিকাৰ গীতা হাতীকাকতিয়ে ৰচনা কৰা *আমাৰ সোণসেৰীয়া গীতিকাৰসকল* (২০১২) নামৰ পুথিখনত অসমীয়া গীতি-সাহিত্যৰ ক্ৰমিক ধাৰাটোৰ সৈতে গীতিকাৰ আৰু তেওঁলোকৰ ৰচনাৰ গতি-প্ৰকৃতিৰ বিষয়ে বিশদ আলোচনা থকা বাবে অসমীয়া গীতি-সাহিত্যলৈ ক্ৰমাৎ অহা পৰিৱৰ্তনসমূহ অনুমান কৰাত সহজ হৈ পৰে। কিন্তু যিহেতু আমাৰ গৱেষণাৰ বিষয় " ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী " , গতিকে এই গৱেষণা কৰ্মৰ বাবে ব্যৱহৃত তথ্যসমূহ বাচিক গীতি-সাহিত্যৰ দিনৰ পৰা আৰম্ভ কৰি আধুনিক গীতি-সাহিত্যৰ যুগৰ öÃÊÕò ýÃèÃ ßÁ± ü÷ü± ûßÁù Õ±Ëü±ëÂ± ßÁ±Ë ÂåÃËü±» ±Íý ÃåÃ¾ÃËf ò± öÃÃýÃ ëÂ±ßÁ± *অসমীয়া সংগীতৰ ঐতিহ্য* (২০০১) নামৰ গ্ৰন্থখনত আকৌ পৰম্পৰাৰ পৰা আধুনিকতালৈ শীৰ্ষক অধ্যায়টিত অসমীয়া সংগীতৰ নৱন্যাস বা Renaissance অৰ যথাযথ বৰ্ণনাৰ ধাৰাবাহিক বিৱৰণ পোৱা যায়। এই গ্ৰন্থখনিত আধুনিক গীতৰ বৰ্ধনমুখী প্ৰক্ৰিয়াৰ ওপৰত পৰা পশ্চিমীয়া প্ৰভাৱৰ বিষয়ে সুন্দৰ আলোচনা দেখিবলৈ পোৱা যায় যদিও গ্ৰন্থখনিত ভূপেন হাজৰিকাৰ গীতৰ সম্পৰ্কত বিশদ আলোচনা নাই। কিন্তু দ্বিতীয় অধ্যায়ত অসমীয়া আধুনিক গীতৰ ধাৰাৰ বিষয়ে উল্লেখ কৰিবলৈ যাওঁতে উল্লেখিত গীতিকাৰসকলে ৰচনা কৰি থৈ যোৱা গীতৰ শুদ্ধ পাঠ সংগ্ৰহৰ বাবে পাৰ্যমানে বিভিন্ন পুথিভঁৰালত সংগৃহীত তেওঁলোকৰ ৰচনাৱলী বা গীতৰ পুথিসমূহ অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

গৱেষণাৰ বিষয়টোৰ লগত সংগতি ৰাখি নাৰীৰ বিষয়ে অধ্যয়ন কৰাটো নিতান্তই আৱশ্যকীয় যদিও অসমীয়া সাহিত্যত নাৰী বিষয়ক গ্ৰন্থ নিচেই তাকৰ বাবে গৱেষণা কৰ্মৰ বাবে গৱেষকৰ নিজস্ব চিন্তা আৰু বিশ্লেষণৰ মাজেদিহে অধিকতৰ সময়ত গৱেষণাত আগবাঢ়িবলগীয়া হ'ল। তথাপিও হাততে পোৱা কেইখনমান গ্ৰন্থ হ'ল, সন্ধ্যাদেৱীৰ *নাৰীঃ বন্ধন আৰু মুক্তি* (২০০৭) ,অজিত ভৰালী আৰু ৰজিতা কলিতাৰ যুটীয়া সম্পাদনাত

Created by Universal Document Converter

*বিষয় নাৰী* ( ২০১১), গোবিন্দ প্ৰসাদ শৰ্মাৰ *নাৰীবাদ আৰু অসমীয়া উপন্যাস* (২০১১), সংগীতা ভৰালীৰ *নাৰী চৰিত্ৰম* (২০১২) আদিৰ নাম উল্লেখ কৰিব পৰা যায়। ইয়াৰে *নাৰীঃ বন্ধন আৰু মুক্তি* ত প্ৰধানকৈ আমেৰিকাৰ নাৰী-মুক্তি আন্দোলন, বিভিন্ন মনীষীৰ দৃষ্টিকোণেৰে নাৰী, ফৰাচী বিপ্লৱৰ লগত জড়িত নাৰী-মুক্তি প্ৰসংগ, নাৰী আৰু মৌলবাদ আদি চিন্তা ধাৰাৰ লগতে 'আধুনিক যুগত অসমীয়া নাৰী' শীৰ্ষক নিবন্ধত অসমীয়া নাৰীৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা দেখা যায়। *বিষয় নাৰী* শীৰ্ষক গ্ৰন্থখনত থকা ভিন ভিন লেখকৰ বিভিন্ন নাৰী সংক্ৰান্তীয় প্ৰৱন্ধসমূহৰ ভিতৰত মনোজ কুমাৰ নাথে লিখা 'নাৰীৰ প্ৰসংগত ঃ তত্ত্ব , বিশ্বাস আৰু বাস্তৱ' শীৰ্ষক প্ৰৱন্ধটোত নাৰীবাদৰ বিভিন্ন প্ৰকাৰ, নাৰী মুক্তি সম্পৰ্কত দীপ্তি শইকীয়াই লিখা এটি প্ৰৱন্ধ, ধৰ্মশাস্ত্ৰত নাৰীৰ মৰ্যাদা সম্বন্ধে মহেশ্বৰ হাজৰিকাই লিখা এটি নিবন্ধই গৱেষণাৰ নাৰী সংক্ৰান্তীয় চিন্তাধাৰাক কিছু সমল যোগাইছে যদিও সেয়া পৰ্যাপ্ত নহয়। গোবিন্দ প্ৰসাদ শৰ্মাই *নাৰীবাদ আৰু অসমীয়া উপন্যাস* (২০১১) শীৰ্ষক গ্ৰন্থখনত 'নাৰীবাদ ঃ তত্ত্ব আৰু ইতিহাস' শীৰ্ষক নিবন্ধটোত নাৰীবাদৰ সাৰ কথাৰ পৃষ্ঠভূমিত নাৰী যে দৰাচলতে পুৰুষৰ দৰেই এক মানৱ সত্তাহে আৰু নাৰী আৰু পুৰুষৰ যে সকলো ক্ষেত্ৰতে সমান অধিকাৰ সেই বিষয়ে বিভিন্ন চিন্তাবিদৰ বক্তব্যৰ সহায়ত যুক্তিযুক্ততাৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। সেইদৰে সংগীতা ভৰালীৰ গ্ৰন্থ *নাৰী চৰিত্ৰমত* বৈদিক ৰীতি-নীতি অনুযায়ী হিন্দু ধৰ্মীয় পন্থাত উল্লেখিত বিভিন্ন নাৰীৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰা হৈছে। এই খিনিতে বিশেষভাৱে উল্লেখনীয় যে সম্পূৰ্ণ নাৰীবাদী চিন্তাধাৰাৰে লিখা L John Charvet অৰ *Feminism* (1982) গ্ৰন্থখনে নাৰীবাদ তত্ত্বৰ বিষয়ে এখন ঐতিহাসিক দলিল ৰূপে গ্ৰহণ কৰিব পাৰি। ইউৰোপত ক্ৰমান্বয়ে পৰিচিত হৈ জনপ্ৰিয়তা অৰ্জন কৰা নাৰীবাদৰ ইতিহাস আৰু বিভিন্ন চিন্তাবিদৰ ব্যাখ্যাৰে এই গ্ৰন্থখন গৱেষণাৰ নানা দিশৰ সহায়ক হৈছে। নাৰী সংক্ৰান্তীয় আন এখন উল্লেখযোগ্য ইংৰাজী গ্ৰন্থ ýÃ, Simone De Beauvoir - *The Second Sex* - translated by Constance Borde and Sheila Malovany- Chevallier,with an Introduction by Sheila Rowbotham (2009)। এই গ্ৰন্থখনত থকা Situation শীৰ্ষক শিতানটোত বিবাহিতা মহিলা, মাতৃ, নাৰীৰ শৈশৱ, পৈণত বয়সৰ নাৰী, আদি জীৱনৰ বিভিন্ন স্তৰত নাৰীৰ মানসিকতা, তেওঁলোকৰ সামাজিক স্থিতি আদিৰ বিষয়ে আৰু Justification শীৰ্ষক শিতানটোত প্ৰেমিকাৰ ৰূপত নাৰীৰ বিষয়ে বিস্তৃত ৰূপত আলোচনা কৰা হৈছে। Dennis Walder য়ে সম্পাদনা কৰা

Created by Universal Document Converter

*Literature in the Modern World (2010)* শীৰ্ষক গ্ৰন্থখনতো কেইটিমান নাৰী বিষয়ক নিবন্ধ আছে। সেইকেইটি ýÃı , 'Woman and Nationalism' by Virginia Woolf, 'Woman and other ' by Simone De Beuvoir, 'Subject of Sex / Gender / Desire' by Judith Butler ।এই নিবন্ধকেইটাৰ গৱেষণাৰ বিষয়টোৰ সৈতে প্ৰাসংগিকতা আছে।

এই গৱেষণা কৰ্মৰ বাবে ব্যৱহাৰ হোৱা ভূপেন হাজৰিকাৰ জীৱিত কালতেই প্ৰকাশিত দুখন পুথি ক্ৰমাৎ সূৰ্য্য হাজৰিকা সম্পাদিত *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ ঃ গীতাৱলী (২০০৮)* আৰু দিলীপ কুমাৰ দত্তৰ সম্পাদনাত *ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ (১৯৮১)* অৱশ্যেই উল্লেখযোগ্য।ইয়াৰে প্ৰথমখন হ'ল ভূপেন হাজৰিকা ৰচিত সকলোবোৰ গীতৰ সংকলন। সৰ্বমুঠ ৩৪২ টা গীত সন্নিবিষ্ট এই পুথি খনত মহেন্দ্ৰ বৰাই লিখা পাতনিত ভূপেন হাজৰিকাৰ নাৰীকেন্দ্ৰিক গীতৰ কিছু বিশ্লেষণে স্থান পোৱা বাবে গৱেষণাৰ কামত সহায়ক হৈছে। দ্বিতীয়খন কিতাপত লিখক-সংগ্ৰাহক দিলীপ কুমাৰ দত্তই ভূপেন হাজৰিকাৰ গীতসমূহ সংগ্ৰহ কৰি প্ৰকাশ কৰাৰ উপৰিও অসমীয়া গীতি-সাহিত্যৰ প্ৰাচীন ধাৰাৰ উল্লেখেৰে আধুনিক যুগত প্ৰৱেশ কৰি ভূপেন হাজৰিকাৰ গীতসমূহৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াবলৈও প্ৰয়াস কৰা দেখা গৈছে। মাথোঁ ইমানতেই ক্ষান্ত নাথাকি আলোচকগৰাকীয়ে গৱেষণামূলক অধ্যয়নেৰে গীতি-সাহিত্যৰ সংজ্ঞা নিৰূপণৰো প্ৰয়াস কৰিছে। উল্লেখনীয় যে পুথিখনৰ 'প্ৰেমৰ গীত' শীৰ্ষক দশম অধ্যায়টিৰ আলোচনাত ভূপেন হাজৰিকাৰ আধ্যাত্মিক, ইন্দ্ৰিয় আসক্ত আদি বিভিন্ন পৰ্যায়ৰ গীতৰ মাজেৰে নাৰীৰ ভিন্ন ভিন্ন ৰূপ মূৰ্ত হৈ উঠা চকুত পৰে। কিন্তু তথাপিও ভূপেন হাজৰিকাৰ গীতত থকা সকলো স্তৰ বা শ্ৰেণীৰ নাৰীসকলৰ পৰ্যাপ্ত আলোচনা কৰাৰ অৱকাশ ৰৈ গ'ল। অৱশ্যে তৰণী পাঠক আৰু মনোমতী পাঠক ডাকুৱাৰ ভূপেন হাজৰিকাৰ গীতৰ আলোচনা সংযোজিত গ্ৰন্থ *ভূপেন হাজৰিকাৰ গীত-সমগ্ৰ'ৰ চমু বিশ্লেষণ* (২০০৯) ত নাৰীকেন্দ্ৰিক কিছু আলোচনা আগবঢ়াইছে যদিও বিভিন্ন ৰূপৰ নাৰীক সুকীয়া শ্ৰেণীত সন্নিবিষ্ট কৰি ভূপেন হাজৰিকাৰ সৃষ্টিৰ মাজত প্ৰকাশ পোৱা নাৰীক অধিক উন্মুক্ত কৰাৰ থল আছিল। তাৰ লগতে নম্ৰতা দত্ত সম্পাদিত গ্ৰন্থ *ভূপেনদা* (২০০৯)ত বিভিন্ন ন-পুৰণি লিখকে ভূপেন হাজৰিকাৰ গীতৰ সৌন্দৰ্য বিচাৰ কৰি বিভিন্ন আলোচনাৰ মাজে

Created by Universal Document Converter

মাজে ভূপেন হাজৰিকাৰ জীৱন গাঁথাতো ভুমুকি মাৰিছে যদিও ভূপেন হাজৰিকাৰ গীতৰ নাৰীৰ বিষয়ে বিশেষ আলোচনা কৰা দেখা নগ'ল। ২০০৮ চনত সূৰ্য্য হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত *ড০ ভূপেন হাজৰিকা ৰচনাৱলীৰ* তিনিওটা খণ্ডকেই এই গৱেষণাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ভূপেন হাজৰিকাৰ সমস্ত সাহিত্য-কৰ্মৰ প্ৰাথমিক উৎস হিচাপে গ্ৰহণ কৰা হৈছে।

২০১১ চনত ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছত অসমীয়া ভাষাত ভূপেন হাজৰিকাৰ গীতৰ বিশ্লেষণাত্মক ৰচনা সম্বলিত আৰু সম্পাদিত ভালেমান পুথি প্ৰকাশ পাইছে। তাৰে ভিতৰত ৰত্ন ওজা সম্পাদিত *ভূপেন হাজৰিকা* (২০১৩), অৰ্চনা পূজাৰী ৰচিত *ড° ভূপেন হাজৰিকাৰ গীতৰ মূল্যায়ন* (চ.উ.না), শৈলেনজিৎ শৰ্মা সম্পাদিত *ড° ভূপেন হাজৰিকাৰ গীত আৰু কবিতাৰ বিশ্লেষণাত্মক আলোচনা* (২০১২) , নন্দ সিং আৰু মাধুৰ্য্য মণ্ডিত বৰুৱা সম্পাদিত *ড° ভূপেন হাজৰিকা* (২০১১), লাচিত বৰ্মন আৰু হিল্লোল কুমাৰ পাঠক সম্পাদিত *মোৰ সমাধিত তোমাৰ সঁহাৰি* (২০১১), জনাৰ্দন গোস্বামী সম্পাদিত *ভূপেন হাজৰিকা —উৰন্ত মনে যাৰ নামানে হেঙাৰ* ( ২০১১),অনুভৱ পৰাশৰ আৰু সমীৰণ গোস্বামী সম্পাদিত *মৃত্যুঞ্জয়ী দুৰন্ত তৰুণ ভূপেন হাজৰিকা* (২০১১), পুলিন কলিতা, গোপাল জালান আৰু অনুভৱ পৰাশৰৰ সম্পাদনাত *বিশ্বনাগৰিক ভূপেন হাজৰিকা* (২০১১), ৰবীন ভূঞাৰ সম্পাদনাত *ড° ভূপেন হাজৰিকা সৃষ্টি আৰু দৃষ্টি* (২০১১),ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে ৰচনা কৰা *বিশ্বৰত্ন ভূপেন হাজৰিকা* (২০১১) ,সাংস্কৃতিক সঞ্চালকালয়, অসম প্ৰকাশিত হিৰণ্য কুমাৰ ভূঞা সম্পাদিত *ৰ'দ পুৱাবৰ কাৰণে মাতিবানো কাক —সোঁৱৰণ ড° ভূপেন হাজৰিকা* (২০১২), হিৰণ্য দাসৰ ৰচনাত *মহাকাশ মহাসাগৰ আৰু ভূপেন হাজৰিকা* (২০১২), পৰিণীতা গোস্বামী সম্পাদিত *বন্দিত বৰেণ্যৰ ছন্দিত সুবাস* (২০১২), উমেশ ডেকাই সম্পাদনা কৰা ইংৰাজী গ্ৰন্থ *Bhupen Hazarika : A Voice , A Mistery* (2013) আদি গ্ৰন্থত ভূপেন হাজৰিকাৰ গীতৰ সামগ্ৰিক আলোচনাহে দৃষ্টিগোচৰ হৈছে , কিন্তু গ্ৰন্থ কেইখনত ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলক সাহিত্যিক দৃষ্টিভংগীৰে পুংখানুপুংখ ভাৱে বিশ্লেষণ কৰা বা ভূপেন হাজৰিকাৰ দৃষ্টি বা মানসিকতাৰে নাৰীসকলক পাঠক সমাজত পৰিচিত কৰি তোলাৰ সম্পূৰ্ণ প্ৰচেষ্টা দেখা পোৱা নগ'ল। এনে ক্ষেত্ৰত গৱেষণা কৰ্মৰ বিষয় হিচাবে 'ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী ' —

Created by Universal Document Converter

এই শীৰ্ষক আলোচনাৰ গুৰুত্ব আছে বুলি ভবা হৈছে।

ইতিমধ্যে উল্লেখিত গ্ৰন্থসমূহৰ ভিতৰত শৈলেনজিৎ শৰ্মা সম্পাদিত *ড° ভূপেন হাজৰিকাৰ গীত আৰু কবিতাৰ বিশ্লেষণাত্মক আলোচনা* (২০১২)ত ৰীতা দত্তই ভূপেন হাজৰিকাৰ গীতত নাৰীৰ স্থান আৰু শিৱপ্ৰসাদ বৰাই ভূপেন হাজৰিকাৰ গীতত প্ৰেম আৰু নাৰী শীৰ্ষক দুটি গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াইছে। একেখন গ্ৰন্থতে নিৰ্মালি দাসে 'ভূপেন হাজৰিকাৰ গীতৰ তাত্ত্বিক মূল্যায়ন' শীৰ্ষক প্ৰৱন্ধত সমাজতত্ত্ব আৰু প্ৰেমতত্ত্ব বাখ্যা প্ৰসংগতো ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলক স্পৰ্শ কৰি থৈ গৈছে। সেইদৰে উক্ত গ্ৰন্থখনিত ভূপেন হাজৰিকাৰ গীতৰ 'নান্দনিক সৌন্দৰ্য' শীৰ্ষক প্ৰৱন্ধত লাটুমণি ভাগৱতীয়ে অৰ্থালঙ্কাৰ বিচাৰত উপমা নিৰ্ণয়ৰ সময়তো ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলৰ প্ৰকৃতিৰ আভাস দিয়াৰ প্ৰয়াস কৰিছে। ভূপেন হাজৰিকাৰ গীতৰ নান্দনিক সৌন্দৰ্যৰ বিষয়ে থোৰতে বিচাৰ কৰিবলৈ যাওঁতে *অসম সাহিত্যসভা পত্ৰিকা* (২০১১-১২)ত প্ৰকাশিত মালিনী গোস্বামীৰ ভূপেন হাজৰিকাৰ 'গীতি-ৰচনাত অলংকাৰ বৈভৱ' নামৰ প্ৰবন্ধটিয়ে প্ৰয়োজনীয় সমল যোগাইছে। উল্লিখিত আন কেইখন গ্ৰন্থত থকা ভূপেন হাজৰিকাৰ গীতৰ আলোচনাসমূহত বিভিন্ন অচিলাৰ যোগেদি ভূপেন হাজৰিকাৰ গীতত নাৰীৰ অৱস্থিতি সম্পৰ্কে আভাস পোৱা যায় যদিও নাৰী সম্পৰ্কীয় পোনপটীয়া আলোচনা দেখিবলৈ পোৱা নাযায়। অৱশ্যে অনুভৱ পৰাশৰ আৰু সমীৰণ গোস্বামী সম্পাদিত *মৃত্যুঞ্জয়ী দুৰন্ত তৰুণ ভূপেন হাজৰিকা* (২০১১)ত সন্নিবিষ্ট প্ৰৱন্ধ 'ভূপেন হাজৰিকাৰ গীতত প্ৰেমৰ সংজ্ঞা'ত প্ৰভাত গোস্বামীয়ে ছেগা-চোৰোকাকৈ ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলৰ এক ছয়া -ময়া ছবি অংকন কৰিবলৈ প্ৰয়াস কৰিছে। সেইদৰে জনাৰ্দন গোস্বামী সম্পাদিত *ভূপেন হাজৰিকা — উৰন্ত মনে যাৰ নামানে হেঙাৰ* নামৰ গ্ৰন্থখনিত থকা মুনীন বায়নৰ প্ৰৱন্ধ 'অলপ ব্যক্তিগত অনুভৱ'ত ভূপেন হাজৰিকাৰ গীতৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপটোৰ লগতে ৰোমাণ্টিক মাত্ৰাযুক্ত উদাহৰণৰ সৈতে নাৰীৰ এটি আভাস দিবলৈ সফল চেষ্টা কৰা দৃষ্টিগোচৰ হয়। উমেশ ডেকাই সম্পাদনা কৰা ইংৰাজী গ্ৰন্থ *Bhupen Hazarika : A Voice , A Mystery* (2013) ৰ Guptajit Pathak এ লিখা প্ৰবন্ধ 'Dr. Bhupen Hazarika: His Life and Achievements' ত ভূপেন হাজৰিকাৰ জীৱন আৰু সাফল্যৰ বিষয়ে কিছু তথ্য জানিব পৰা যায়।

Created by Universal Document Converter

ইতিমধ্যে উল্লেখিত গ্ৰন্থসমূহৰ উপৰিও কমল কটকী, অনুৰাধা শৰ্মা পূজাৰী, লক্ষ্মীনাথ তামুলী, সুমন্ত চলিহা, সুব্ৰত জ্যোতি নেওগ, গোবিন্দ প্ৰসাদ ভূঞা, আদি বিভিন্ন ন-পুৰণি লিখকে বিভিন্ন আলোচনী যেনে *জনমভূমি, গৰীয়সী, অসমবাণী* আদি বিভিন্ন কাকত আৰু আলোচনীত ভূপেন হাজৰিকাৰ গীত সম্পৰ্কে লিখা ভালেমান প্ৰবন্ধ এই গৱেষণা কৰ্মৰ সহায়ক হৈছে। *প্ৰিয়সখী* নামৰ আলোচনীৰ ২০১৩ চনৰ নৱেম্বৰ মাহৰ সংখ্যাটিত ৰত্না দেৱীয়ে লিখা প্ৰবন্ধ 'ভূপেন হাজৰিকাৰ গীতত নাৰী' শীৰ্ষক প্ৰবন্ধটিয়ে কম পৰিসৰৰ ভিতৰতে গৱেষণাৰ কেইটিমান দিশ উন্মোচিত হোৱাত সহায় কৰিছে।

## ১.৪ গৱেষণাৰ গুৰুত্ব আৰু পৰিসৰ ঃ

সাহিত্যিক গুণ সম্পন্ন গীতসমূহ সমাজৰ সম্পদস্বৰূপ। অসমীয়া আধুনিক গীতৰ গীতিকাৰসকলে আশাসুধীয়া প্ৰচেষ্টাৰে শব্দ-বৰ্ণ-ছন্দৰ যাদুৰ সহযোগত অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰাৰ লগতে গীতি-সাহিত্যৰ ধাৰাটোৰ প্ৰবাহ চিৰযুগমীয়া কৰিবলৈ তৎপৰ হোৱা দেখা যায়। কিন্তু পাঠক সমাজে মন কৰিলে দেখা পাব যে সাহিত্যৰ অন্যান্য বিভাগৰ আলোচনাৰ দৰে গীতি-সাহিত্যৰ আলোচনাই আপেক্ষিক ভাৱে কম গুৰুত্ব পায়। সেয়েহে অসমীয়া সাহিত্যৰ প্ৰবাহৰ এটি শুদ্ধ ৰূপ লাভ কৰিবলৈ হ'লে অসমীয়া গীতি-সাহিত্যৰো প্ৰণালীবদ্ধ আলোচনা কৰাটো অতিশয় প্ৰয়োজনীয়। আধুনিক যুগৰ গীতিকাৰসকলৰ ভিতৰত সুৰৰ মালঞ্চ ৰচনা কৰা ভূপেন হাজৰিকাই প্ৰায় চাৰিশ গীত ৰচনাৰে প্ৰায় পাঁচটা দশক ধৰি শ্ৰোতা আৰু পাঠকসকলক মোহিত কৰি ৰাখিছিল। তেখেতৰ গীতসমূহত নিহিত হৈ থকা সাহিত্য ৰসৰ অন্তৰ্গত অলঙ্কাৰ, ৰস, মাটিৰ গোন্ধ আৰু অনবদ্য সুৰৰ ঝংকাৰৰ লগতে সাহিত্যৰ নৱৰসৰ প্ৰয়োগে গীতসমূহক জনপ্ৰিয়তাৰ শিখৰত প্ৰতিষ্ঠিত কৰিছিল। কিন্তু সেই অনুযায়ী ভূপেন হাজৰিকাৰ গীতৰ সমূহ নাৰী চৰিত্ৰৰ সম্পূৰ্ণ বিশ্লেষণ দেখা নাযায়। সেই বাবেই এই গৱেষণা কৰ্মৰ জৰিয়তে বিষয়টোৰ সম্পৰ্কত আলোচনাৰ এক নতুন দিশ মুকলি কৰাৰ প্ৰয়াস কৰা হৈছে।

Created by Universal Document Converter

আধুনিক অসমীয়া গীতি-সাহিত্যত ভক্তিমূলক গীত, জাতীয়তাবাদী গীত, ৰোমাণ্টিক গীত, প্ৰকৃতিপ্ৰেমৰ গীত আদি বিভিন্ন প্ৰকাৰৰ গীতৰ লগতে অজস্ৰ নাৰীকেন্দ্ৰিক গীতো দেখিবলৈ পোৱা যায়। ভূপেন হাজৰিকায়ো তেওঁৰ সাহিত্যিক জীৱনত ৰচিত ভালেমান গীতত নাৰীক মূল বিষয় হিচাবে গ্ৰহণ কৰিছে। গতিকে সেইবোৰক আধাৰ কৰি গীতত উপস্থিত নাৰী চৰিত্ৰসমূহৰ প্ৰকাৰ আৰু প্ৰকৃতি নিৰ্ধাৰণ কৰাটো সম্ভৱপৰ হ'ব। এই গৱেষণা কৰ্মই ভূপেন হাজৰিকাৰ দৰে প্ৰখ্যাত গীতিকাৰে নাৰীক পুৰুষৰ সম-মৰ্যাদা দিছে নে নাই এই বিষয়ে পৰ্যালোচনা কৰাৰ লগতে ভূপেন হাজৰিকাৰ গীতত সমাজৰ সকলো স্তৰৰ নাৰীয়ে স্থান পাইছে নে নাই নতুবা সমাজৰ পুৰুষ তান্ত্ৰিকতাৰ পৰা মুক্ত নাৰীৰ প্ৰকৃত ছবিখন গীতৰ কথাত জিলিকি উঠিছে নে নাই সেই বিষয়ে অধ্যয়নৰ পথ মুকলি কৰিছে। তাৰ লগতে জীৱনৰ চাৰি আশ্ৰমৰ ভিন ভিন বয়সৰ নাৰীসকলক গীতিকাৰগৰাকীয়ে গীতৰ মাজেৰে সামৰিব পাৰিছেনে নাই, সেই বিষয়ে আলোচনাৰো স্থল আছে। ভূপেন হাজৰিকাৰ গীতত জল-জল পট-পটকৈ দেখা দিয়া নাৰীসকলক বিশ্লেষণ কৰাটো সিমান কঠিন নহয় যদিও ৰূপকল্পৰ আঁৰত লুকাই থকা নাৰীসকলক বাস্তৱতাৰ আলোকত প্ৰকাশ কৰা কাৰ্য নিঃসন্দেহে এক কঠিন কাম। এনেক্ষেত্ৰত ভূপেন হাজৰিকাৰ মানসিকতাৰ অন্তৰ্জগতত প্ৰৱেশ কৰি প্ৰয়োজন সাপেক্ষে মনস্তাত্ত্বিক চিন্তাধাৰাৰে নাৰীসকলৰ চৰিত্ৰ পৰ্যবেক্ষণ কৰিলে গৱেষণা কৰ্ম অধিক ফলপ্ৰসূ হ'ব। লগতে গৱেষণা কৰ্মৰ ফলত লাভ কৰা সমূহ নাৰী বিষয়ক তথ্যই ভৱিষ্যতৰ বাবেও সাহিত্য চৰ্চাৰ সহায়ক হ'ব বুলিও আশা কৰা যায়। এই গৱেষণা কৰ্মৰ বাবে ভূপেন হাজৰিকাৰ স্বৰচিত গীতসমূহৰ সংকলন আৰু ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী *মই এটি যাযাবৰ* (২০১১) ৰ পৰা প্ৰাপ্ত তথ্যই গৱেষণা কৰ্ম শুদ্ধ আৰু সঠিক দিশত আগবঢ়াই নিয়াত অৱশ্যেই সহায় কৰিব।

## ১.৪ গৱেষণাৰ প্ৰমেয় ঃ

(ক) আধুনিক অসমীয়া গীতৰ ইতিহাসত চমু দৃষ্টিপাত (প্ৰাচীনৰ পৰা ভূপেন হাজৰিকাৰ সমসাময়িকলৈ)।

Created by Universal Document Converter

(খ) আধুনিক অসমীয়া গীতৰ ধাৰা আৰু  ভূপেন হাজৰিকাৰ গীতৰ তথ্যান্বেষণ।

(গ) ভূপেন হাজৰিকাৰ নাৰীকেন্দ্ৰিক গীতসমূহৰ শ্ৰেণী বিভাজন আৰু  নাৰী বিষয়ক দিশত অৱলোকন ।

## ১.৫  গৱেষণা পদ্ধতি ঃ

ব্যাখ্যামূলক পদ্ধতিৰে আগুৱাই নিয়াৰ পৰিকল্পনা কৰা এই গৱেষণা কৰ্মৰ  বাবে প্ৰধানকৈ ভূপেন হাজৰিকাৰ গীতসমূহকেই প্ৰধান আহিলা হিচাপে  গ্ৰহণ কৰা হৈছে। এনেক্ষত্ৰত ভূপেন হাজৰিকাৰ জীৱিত কালতেই সংৰক্ষিত গীতসমূহক গৱেষণাৰ প্ৰাথমিক উৎস হিচাপে  গ্ৰহণ কৰা হৈছে।  তাৰ লগতে নাৰী সম্পৰ্কে বিভিন্ন  আলোচকে  আগবঢ়োৱা বিভিন্ন প্ৰবন্ধ আৰু সূত্ৰকো প্ৰথমিক উৎসৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।  ভূপেন হাজৰিকাৰ গীতৰ বিভিন্ন বিশ্লেষণ আৰু ব্যাখ্যাক গৌণ উৎস হিচাপে বিবেচনা কৰি মৌলিক বাখ্যা আৰু আলোচনা পদ্ধতিৰে গৱেষণা কৰ্ম আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰা হৈছে।  এই গৱেষণাৰ মুখ্য তথ্য হিচাপে  ভূপেন হাজৰিকাৰ গীতৰ প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োবিধ নাৰী কেন্দ্ৰিক গীতবোৰৰ শুদ্ধ পাঠসমূহ সংগ্ৰহ কৰি তাৰ যথোচিত ব্যাখ্যাৰে গৱেষণা কৰ্ম আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰা  হৈছে।  অসমীয়া গীতৰ ইতিহাস নিৰ্ণয়ৰ বাবেও গীতি-সাহিত্য বিষয়ক বিভিন্ন পুথিক গৌণ উৎস হিচাপে  গ্ৰহণ কৰা হৈছে।  ভূপেন হাজৰিকা অনুলিখিত আত্মজীৱনী *মই এটি যাযাবৰ* (২০১১) ক ভূপেন হাজৰিকাৰ জীৱন-চৰিতৰ মূল উৎস হিচাবে গ্ৰহণ কৰা হৈছে।  এই গৱেষণাত প্ৰয়োজনীয় তথ্য লাভ কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল—

### ১.৫.১ সাক্ষাৎকাৰ —

ভূপেন হাজৰিকাৰ পৰিয়ালৰ লোক, ঘনিষ্ঠ ব্যক্তি, কথা ছবিৰ লগত জড়িত লোক আদিৰ সাক্ষাৎ গ্ৰহণ কৰা হৈছে। গীতি-সাহিত্যৰ ইতিহাস নিৰ্ণয়ৰ ক্ষেত্ৰত ভ্ৰাম্যমাণ  নাট্যগোষ্ঠীৰ লগত জড়িত লোকৰো সাক্ষাৎ গ্ৰহণ কৰা হৈছে। এনে ক্ষেত্ৰত ভূপেন হাজৰিকাৰ গীতসমূহৰ ৰচনাৰ পটভূমি, গীতসমূহৰ জনপ্ৰিয়তাৰ কাৰণ, গীতৰ নাৰীৰ সামাজিক অৱস্থান আদিৰ বিষয়ে প্ৰশ্ন কৰা হৈছে। প্ৰয়োজন সাপেক্ষে গীতসমূহত ব্যৱহৃত অলংকাৰ,

Created by Universal Document Converter

ছন্দ , তাল , গীত ৰচনাৰ পৃষ্ঠভূমি আদিৰ বিষয়েও প্ৰশ্নৰ অৱতাৰণা হৈছে।

**১.৫.২ পৰ্যবেক্ষণ—**

এই গৱেষণাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে পৰ্যবেক্ষণত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত গৱেষণাকৰ্ম চলি থকা সময়লৈকে প্ৰকাশিত বিভিন্ন আলোচনী, বাতৰি কাকত, স্মৃতিগ্ৰন্থ, আদিত প্ৰকাশিত অসমীয়া গীতি-সাহিত্য, নাৰী আৰু ভূপেন হাজৰিকাৰ গীতৰ বিষয়ে প্ৰকাশিত বিভিন্ন বিশ্লেষণ বা সমালোচনাত্মক আৰু তথ্যমূলক প্ৰবন্ধ-নিবন্ধ, ভূপেন হাজৰিকাৰ কণ্ঠৰ স্ব-ৰচিত গীতৰ বাণীবদ্ধ ৰূপ, গীতৰ সংকলন আদি সামৰি অধ্যয়ন কৰা হৈছে। ভূপেন হাজৰিকাৰ আত্মজীৱনী আৰু বিভিন্ন ঘনিষ্ঠজনে লিখা প্ৰবন্ধৰ জৰিয়তেও একোটি গীতৰ জন্মৰ আঁৰৰ কাহিনী অনুমান কৰিবলৈ চেষ্টা কৰা হৈছে।

**১.৫.৩ তথ্য বিশ্লেষণ আৰু ব্যাখ্যা —**

উক্ত গৱেষণা সামগ্ৰীসমূহৰ সহায়ত লাভ কৰা তথ্যসমূহ আনুমানিকতা, সম্ভাৱনীয়তা, প্ৰয়োগ আৰু স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ব্যাখ্যা আৰু বিশ্লেষণৰ মাজেদি এই গৱেষণা কৰ্ম আগুৱাই নিয়া হৈছে। এনে ক্ষেত্ৰত গীতি-সাহিত্যৰ ইতিহাসৰ ওপৰতো নিৰ্ভৰ কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত অসমীয়া গীতি-সাহিত্যৰ ওপৰত পৰা বিদেশী সাহিত্যৰ প্ৰভাৱো পৰ্যবেক্ষণ কৰি ব্যাখ্যা আগবঢ়োৱা হৈছে।

## ১.৬ গৱেষণাৰ সীমাবদ্ধতা ঃ

গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ সময়ত গীতি-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে সঘনাই প্ৰচলিত জনপ্ৰিয় মৌখিক গীতি-সাহিত্য সংগ্ৰহত অসুবিধা হোৱা নাছিল যদিও অসমীয়া গীতি-সাহিত্যৰ ভিতৰত লিখিত ৰূপত প্ৰাপ্ত প্ৰথম নিদৰ্শন স্বৰূপ অনুমানিক নৱম দশম শতিকাত ৰচিত চৰ্যাপদ বা চৰ্যা গীতসমূহৰ পিছত প্ৰাক-শংকৰীযুগৰ সাহিত্য বুলি চিহ্নিত সুৰীয়া কাব্য ৰচনাৰ সময়লৈকে প্ৰায় তিনিশ

Created by Universal Document Converter

বছৰ কালৰ অসমীয়া গীতি-সাহিত্যৰ কোনো চানেকি পোৱা নগ'ল। ইয়াৰ প্ৰধান কাৰণসমূহ হ'ল মানুহৰ অনাদৰ, সেমেকা জলবায়ু, পুথি সংৰক্ষণ জ্ঞানৰ অভাৱ, অসমৰ সেমেকা জল-বায়ুৰ বাবে কীট-পতংগৰ উপদ্ৰৱ, সঘনাই অহা বানপানী আদি। এই বিষয়ে সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে কৈছে—

> খ্ৰীষ্টিয় চতুৰ্দশ শতিকাৰ আগৰ অসমীয়া লিখিত-সাহিত্যৰ নিদৰ্শন বৰ কম। দেশৰ সেমেকা জলবায়ু, অতিবৃষ্টি আৰু বানপানী,কীট-পতংগ নিগনি এন্দুৰৰ উৎপাত, ৰাজনৈতিক বিপৰ্যয় , মানুহৰ অনাদৰ আৰু পুথি সংৰক্ষণজ্ঞানৰ অভাৱ আদিৰ ফলত প্ৰাচীন পুথি বহুতেই হয়তো কালৰ গৰ্ভত লয় পালে। ( শৰ্মা, ২০০৯, পৃঃ ৩৬)

আধুনিক গীতি-সাহিত্যৰ ক্ষেত্ৰতো গীতা হাতীকাকতি ৰচিত *আমাৰ সোণসেৰীয়া গীতৰ গীতিকাৰসকল* (২০১২) শীৰ্ষক গ্ৰন্থখনত ক্ৰমানুসাৰে গীতিকাৰসকলক লিপিবদ্ধ কৰিবলৈ লেখিকাই প্ৰয়াস কৰিছে যদিও এইখন গ্ৰন্থ আৰু তাৰ লগতে পোৱা গীতি-সাহিত্যৰ ইতিহাসৰ মাথোঁ কেইটি মান নিবন্ধক ভিত্তি কৰি প্ৰণালীবদ্ধ অধ্যয়ন কৰা নিঃসন্দেহে এক জটিল কাম। এই ইতিহাস নিৰ্ণয় কৰ্মও ভূপেন হাজৰিকাৰ সম-সাময়িকলৈহে সীমাবদ্ধ ৰখা হৈছে। দ্বিতীয়তে অসমীয়া সাহিত্যত নাৰী বিষয়ক গ্ৰন্থও খুব কমেই চকুত পৰে। ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ কেইখনো প্ৰধানকৈ নাৰীবাদ আৰু নাৰীমুক্তি বিপ্লৱৰ ভিত্তিতেই ৰচিত। তৃতীয় আৰু প্ৰধান সীমাবদ্ধতাৰ বিষয়টো হ'ল যে ভূপেন হাজৰিকাই ৰচনা কৰা ভালেমান গীতৰ নাৰীৰ ভূমিকা গৱেষকে নিজে অনুমান কৰি ল'ব লগীয়া হৈছে। যিহেতু ভূপেন হাজৰিকাৰ জীৱিত কালত এই গৱেষণা আৰম্ভ নহ'ল, গতিকে ভূপেন হাজৰিকাৰ গীতৰ নাৰী সন্দৰ্ভত আগবঢ়োৱা ব্যাখ্যাসমূহ গৱেষকৰ সম্পূৰ্ণ স্বকীয় ধাৰণা। নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিৰ ভিন্নতাৰ বাবে গৱেষকৰ চিন্তাধাৰাৰে আগবঢ়োৱা বিশ্লেষণ সকলোৰে গ্ৰহণযোগ্য নহ'বও পাৰে। বহুতেই আকৌ ভূপেন হাজৰিকাৰ জীৱনৰ নাৰীৰ বা গীত ৰচনাৰ আঁৰৰ নাৰীৰ সৈতে গীতৰ নাৰীৰ সাদৃশ্য উদ্‌ঘাটন কৰিবলৈ বিচাৰিব পাৰে । কিন্তু এই গৱেষণাত সকলো মত পাৰ্থক্য দূৰত ৰাখি ভূপেন হাজৰিকাৰ মনোজগতত আলোকপাত কৰি গীতৰ কথাই মূৰ্ত কৰা নাৰীসকলকহে প্ৰাসংগিকতাৰ বিষয় হিচাপে বাছি লোৱা হৈছে। লগতে এইটোৱো উনুকিয়াই থোৱাটো বাঞ্ছনীয় হ'ব যে — এই অধ্যয়নত উত্থাপন

Created by Universal Document Converter

কৰা মতামত আৰু সিদ্ধান্তসমূহ চূড়ান্ত নহয়। মাথোন গৱেষণাৰ বিষয়ৰ লগত সংগতি ৰাখি এই গৱেষণা কৰ্মৰ দ্বাৰা ভূপেন হাজৰিকাৰ গীতৰ মাজত নিহিত থকা দিশটোত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আশা কৰা হৈছে যে এই গৱেষণা কৰ্মৰ অধ্যয়নৰ দ্বাৰা সমকালীন আৰু উত্তৰকালীন পাঠক -গৱেষকসকলক বিষয়টোক নতুন দৃষ্টিৰে চোৱাৰ লগতে নতুন পৰিকল্পনা আৰু বিষয় বাছনিৰে এক নতুন ধৰণৰ গৱেষণা কৰ্মৰ বাবে ভৱিষ্যৎ কৰ্ষণৰ সুযোগ ওলাব।

## ১.৭ অধ্যায় বিভাজন ঃ

গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে অধ্যয়নৰ সুবিধাৰ্থে গ্ৰন্থখনত সৰ্বমুঠ ছটা অধ্যায়ত বিভক্ত কৰা হৈছে। সেই অনুযায়ী আগকথা, প্ৰসংগপুথি আৰু গ্ৰন্থপঞ্জী আৰু পৰিশিষ্টক বাদ দি বিভাজন কৰা ছটা অধ্যায়ৰ প্ৰথম অধ্যায়টোৰ শিৰোনাম হ'ল—'**অৱতৰণিকা**'। এই অধ্যায়টোত নিৰ্বাচিত বিষয়টো গৱেষণাৰ বাবে কিয় বাছি লোৱা হ'ল, তত্ত্বগত পটভূমি আৰু বিষয়টোৰ ওপৰত ইতিপূৰ্বে হোৱা আলোচনাৰ পুনৰ্নিৰীক্ষণ, গৱেষণাৰ গুৰুত্ব আৰু পৰিসৰ, গৱেষণাৰ প্ৰমেয়, গৱেষণাৰ পদ্ধতি, গৱেষণাৰ সীমাবদ্ধতা আদিৰ বিষয়ে উল্লেখ কৰি গৱেষণা কৰ্মক প্ৰণালীবদ্ধ ভাৱে কেনেদৰে আগুৱাই নিয়া হ'ব সেই বিষয়ে থুলমূল আলোচনা কৰা হৈছে।

গৱেষণা গ্ৰন্থখনৰ দ্বিতীয় অধ্যায়টোৰ শিৰোনাম হ'ল—'**অসমীয়া গীতি-সাহিত্য ঃ এক ঐতিহাসিক ক্ৰম**'। এই অধ্যায়টোত প্ৰাচীন কালৰ অসমীয়া গীতি-সাহিত্যৰ বিষয়ে যথোচিত আলোচনা কৰাৰ লগতে আধুনিক অসমীয়া গীতি-সাহিত্যৰ আৰম্ভণিৰে পৰা ভূপেন হাজৰিকাৰ সমসাময়িকলৈ উল্লেখযোগ্য গীতিকাৰসকলৰ গীতৰ প্ৰকৃতিৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। এই ক্ষেত্ৰত গীতিকাৰ একোজনৰ গীতৰ জনপ্ৰিয়তাৰ কাৰণসমূহ ফঁহিয়াই চাই তেখেতৰ গীতসমূহ বাচি উলিয়াই সেই গীতৰ প্ৰকাৰ অনুযায়ী গীতিকাৰসকলক শ্ৰেণীবদ্ধ কৰিবলৈ প্ৰয়াস কৰা হৈছে। এই অধ্যায়টোত বিশেষকৈ অসমীয়া গীতি-সাহিত্যৰ

Created by Universal Document Converter

ইতিহাসৰ ক্ৰম নিৰ্মাণত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।

গৱেষণা গ্ৰন্থখনৰ তৃতীয় অধ্যায়টোৰ শিৰোনাম ৰখা হৈছে — **'ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম'**। এই অধ্যায়টোক সৰ্বমুঠ পাঁচটা সৰু সৰু ভাগত বিভক্ত কৰা হৈছে। তাৰে প্ৰথমটোত ভূপেন হাজৰিকাৰ ব্যক্তিগত জীৱনৰেখা, দ্বিতীয় ভাগটোত ভূপেন হাজৰিকাৰ সাহিত্যকৃতি, তৃতীয় ভাগটোত ভূপেন হাজৰিকাই জীৱিত কালত আৰু মৰণোত্তৰ ভাৱে লাভ কৰা বঁটা, স্বীকৃতি আৰু সন্মানসমূহৰ তথ্য , চতুৰ্থ ভাগটোত গীতিকাৰ ভূপেন হাজৰিকাৰ পৰিচয়,আৰু পঞ্চম ভাগটোত ভূপেন হাজৰিকাৰ সাংগীতিক জীৱনৰ দিশত আলোকপাত কৰা হৈছে।

গৱেষণা গ্ৰন্থৰ **'নাৰী ঃ স্বৰূপ, স্থিতি আৰু চিত্ৰণ'** বিষয়ক চতুৰ্থ অধ্যায়টো মুঠ দুটা ভাগত বিভক্ত কৰা হৈছে। তাৰে প্ৰথমটোত নাৰীৰ প্ৰতি সমাজৰ বিভিন্ন দৃষ্টি উনুকিয়াই দিয়াৰ লগতে সমাজৰ ভিন ভিন স্তৰত যে নাৰীৰ চিত্ৰণ বেলেগ বেলেগ ধৰণৰ হয়, সেই কথা আলোচনা কৰা হৈছে। সুকুমাৰ কলাৰ বিভিন্ন উপাদানৰ প্ৰেক্ষাপটত আৰু কাৰ্যত নাৰীয়ে ভিন ভিন ৰূপত আত্মপ্ৰকাশ কৰাৰ বিষয়েও এই ভাগটোত আলোচনা কৰা হৈছে। প্ৰাচীন গীতি-সাহিত্যৰ যুগৰে পৰা বৰ্তমানলৈকে অসমীয়া গীতি-সাহিত্যত নাৰীৰ স্থিতি অনুভৱ কৰা হয়। সেয়েহে চতুৰ্থ অধ্যায়ৰ দ্বিতীয় ভাগটোত অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণৰ বিষয়ে আলোচনা কৰা হৈছে। এই ভাগটোত বিশেষকৈ আধুনিক গীতি-সাহিত্যক অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।

গৱেষণা গ্ৰন্থখনৰ পঞ্চম অধ্যায়টো এই অধ্যয়নৰ প্ৰধান অধ্যায় স্বৰূপে বিবেচনা কৰা হৈছে। এই অধ্যায়টোৰ শিৰোনাম হৈছে **'ভূপেন হাজৰিকাৰ গীতত নাৰী'**। এই অধ্যায়টোত সংগৃহীত তথ্যসমূহ বিশ্লেষণ কৰি তাৰ যথোচিত ব্যাখ্যা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছে আৰু ভূপেন হাজৰিকাৰ গীতত নাৰীৰ বিভিন্ন ৰূপৰ সমাহাৰ সন্দৰ্ভত সংক্ষিপ্ত আলোচনা আগবঢ়োৱা হৈছে। লগতে অধ্যায়টোক দহটা ভাগত বিভক্ত কৰি ভাগসমূহত ভূপেন হাজৰিকাৰ গীতত উজ্জ্বল হৈ উঠা মাতৃৰ ৰূপত নাৰী, নাৰীৰ ৰূপত প্ৰকৃতি, প্ৰেমিকাৰ ৰূপত নাৰী,

Created by Universal Document Converter

সমাজ সংস্কাৰকামী নাৰী, ৰহস্যময়ী নাৰী, ছলনাময়ী নাৰী, বিৰহিণী নাৰী, গ্ৰামীণ নাৰী, জনজাতীয় আৰু জনগোষ্ঠীয় নাৰী আৰু অন্যান্য নাৰীসকলক শ্ৰেণীবদ্ধ কৰি সেই নাৰীসকলৰ চৰিত্ৰ বিশ্লেষণ কৰি তাৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।

গৱেষণা গ্ৰন্থখনৰ ষষ্ঠ আৰু শেষ অধ্যায়টি হৈছে— **উপসংহাৰ**। কলেৱৰত সৰু এই অধ্যায়টোত গৱেষণা গ্ৰন্থৰ পূৰ্বালোচিত পাঁচটা অধ্যায়ৰ চমু সমীক্ষা আগবঢ়োৱা হৈছে। আৰু সদৌ শেষত গৱেষণাত প্ৰাপ্ত তথ্যসমূহৰ যুক্তিযুক্ততা বিচাৰ কৰি গৱেষণাৰ উদ্দেশ্যাৱলী প্ৰতিপাদিত হৈছে নে নাই সেই বিষয়ে আলোকপাত কৰি গৱেষণা কৰ্ম সম্পৰ্কে নিজস্ব মত পোষণ কৰা হৈছে।

কেইটিমান নিয়মক ভিত্তি কৰি এই গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। তাৰে ভিতৰত গ্ৰন্থখন লিপিবদ্ধ কৰাৰ সময়ত সম্পূৰ্ণভাৱে APA citation style অনুসৰণ কৰা হৈছে। চুটি প্ৰত্যক্ষ উদ্ধৃতি দুটা উৰ্দ্ধ কমাৰ ভিতৰত মূল পাঠৰ লগত একে আখৰৰ গঢ়েৰে উল্লেখ কৰা হৈছে। দীঘলীয়া উদ্ধৃতি বেলেগে উল্লেখ কৰি আখৰৰ গঢ় সৰু কৰি দিয়া হৈছে। প্ৰত্যক্ষ উদ্ধৃতিৰ ক্ষেত্ৰত লেখকে ব্যৱহাৰ কৰা আখৰ জোঁটনি বা বানান-ৰীতিকে গ্ৰহণ কৰা গৈছে। উদ্ধৃতিৰ শেষত লেখকৰ উপাধি, প্ৰকাশৰ চন আৰু পৃষ্ঠা সংখ্যা উল্লেখ কৰা হৈছে। আনহাতে গৱেষণা গ্ৰন্থখনৰ মূল পাঠাংশৰ অসমীয়া বানানৰ ক্ষেত্ৰত প্ৰধানকৈ মালিনী গোস্বামীৰ মুখ্য সম্পাদনাত প্ৰকাশিত *চন্দ্ৰকান্ত অভিধান (২০১২)* , ইংৰাজী বানানৰ ক্ষেত্ৰত P.C.Choudhury ৰচিত আৰু D.K.Bhattacharya ই বৰ্ধিত ৰূপ দিয়া *Allora Anglo Assamese Dictionary* (চ.উ.না) ক অনুসৰণ কৰা হৈছে। আখৰ জোঁটনিৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে প্ৰস্তুত কৰা *অসমীয়া আখৰ জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি* (১৯৭০) বানান-ৰীতি গ্ৰহণ কৰা হৈছে। গৱেষণা গ্ৰন্থখনৰ বানান পদ্ধতিত দ্বিত্ব বৰ্জন কৰা হৈছে যদিও ক্ষেত্ৰ বিশেষে (যেনে উদ্ধৃতিত লেখকে ব্যৱহাৰ কৰা মূল বানানৰ দ্বিত্ব ) লেখকগৰাকীয়ে নিজৰ নামত ব্যৱহাৰ কৰা দ্বিত্ব (যেনে 'ভট্টাচাৰ্য্য') আৰু 'ৰ্য্য'ৰ দ্বিত্ব (যেনে চৰ্য্যা) ব্যৱহাৰ কৰা হৈছে। কিতাপৰ নাম উল্লেখ কৰোঁতে *italic* আখৰ ব্যৱহাৰ কৰা হৈছে আৰু তাৰ কাষতে প্ৰকাশৰ চন

Created by Universal Document Converter

দিয়া হৈছে। কোনো কিতাপত ৰচনাৰ চন নাথাকিলে সৰু বন্ধনীৰ ভিতৰত ‘চ.উ.না’ অৰ্থাৎ চন উল্লেখ নাই বুলি মন্তব্য কৰা হৈছে। সেইদৰে কোনো উদ্ধৃতিৰ পৃষ্ঠাৰ উল্লেখ নাথাকিলে সৰু বন্ধনীৰ ভিতৰত ‘পৃ.উ.না’ অৰ্থাৎ পৃষ্ঠা উল্লেখ নাই বুলি লিখা হৈছে। APA citation style অনুসৰি গৱেষণা গ্ৰন্থৰ অন্তত ‘প্ৰসংগ পুথি আৰু গ্ৰন্থপঞ্জী’ শিতানত বৰ্ণানুক্ৰমিক ভাৱে উল্লেখিত আৰু ব্যৱহৃত সকলো পুথিৰ নাম উল্লেখ কৰা হৈছে। বেলেগ বেলেগ ভাষাৰ গ্ৰন্থসমূহক নিজস্ব ভাষাগত শ্ৰেণীৰ তালিকাত ৰখা গৈছে। সাক্ষাৎকাৰ গ্ৰহণ কৰা ব্যক্তিসকলৰ ভিতৰত যি সকলৰ বক্তব্য গৱেষণা গ্ৰন্থত প্ৰত্যক্ষভাৱে উল্লেখ কৰা হৈছে, তেওঁলোকৰ নাম, ঠিকনা সাক্ষাৎগ্ৰহণৰ তাৰিখ আদি সুকীয়া তালিকা এখনত সন্নিবিষ্ট কৰা হৈছে। গৱেষণাৰ লগত সংগতি ৰাখি কেইখন মান আলোক চিত্ৰ গৱেষণা গ্ৰন্থত সংযোগ কৰা হৈছে আৰু এই গৱেষকে ভূপেন হাজৰিকাৰ জীৱিত কালত ৰচনা কৰি আৰু ভূপেন হাজৰিকাক উৎসৰ্গ কৰি তেওঁৰ পৰা প্ৰশংসা লাভ কৰা এটি গীত পৰিশিষ্ট অংশত সংযোগ কৰা হৈছে।

এই গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে যিসকল ব্যক্তিৰ বহুমূলীয়া পৰামৰ্শই গ্ৰন্থখন সুচাৰু ৰূপে আগবঢ়াই নিয়াত সহায় কৰিছিল, বা যিসকলৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষ সহায় লোৱা হৈছিল, তেওঁলোকৰ নাম আগকথা শিতানত উল্লেখ কৰা হৈছে। অৱশেষত বিনম্ৰতাৰে স্বীকাৰ কৰিবই লাগিব যে ,— গৱেষকে এই গৱেষণা কৰ্মৰ দ্বাৰা প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে উত্থাপন কৰা সিদ্ধান্তসমূহ চূড়ান্ত নহয়। তথাপিও যিহেতু এই গৱেষণাৰ বিষয়ৰ লগত সংগতি ৰাখি আগবঢ়োৱা প্ৰণালীবদ্ধ অধ্যয়নত এতিয়ালৈকে পোহৰলৈ নহাকৈ থকা কেইটিমান দিশত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে,গতিকে আশা কৰা হৈছে যে বৰ্তমান আৰু ভৱিষ্যতৰ পাঠক-গৱেষকৰ বাবেও এই দিশকেইটা প্ৰাসংগিক হৈ ৰ’ব।

Created by Universal Document Converter